**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত এখন উচ্চ পৰ্য্যায়ৰ বৈঠক অনুষ্ঠিত হয়।

২। অক্ষয় তৃতীয়া উপলক্ষে উত্তৰাখণ্ডত কাইলৈ পবিত্ৰ চাৰিধাম যাত্ৰা আৰম্ভ হ'ব

৩। কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে সেউজ হাইড্ৰ'জেনক ভৱিষ্যতৰ ইন্ধন বুলি অভিহিত কৰিছে।

৪। ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি কলম্বোত অনুষ্ঠিত ত্ৰিদেশীয় এদিনীয়া ক্ৰিকেট শৃংখলাৰ এখন খেলত দক্ষিণ আফ্ৰিকাক ১৫ ৰাণত পৰাস্ত কৰে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত দেলহী কেপিটেলছ ক'লকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত এখন উচ্চ পৰ্য্যায়ৰ বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীৰ বাসগৃহত অনুষ্ঠিত এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, চীফ অৱ ডিফেন্স ষ্টাফ অনিল চৌহান আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মূৰব্বীসকল উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ত্ৰিনিদাদ আৰু ট'বেগ'ৰ নিৰ্বাচনত জয়লাভ কৰাৰ বাবে কমলা প্ৰসাদ বিচেচৰক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয়, যে ত্ৰিনিদাদ আৰু ট'বেগ'ৰ সৈতে থকা ঐতিহাসিক সম্পৰ্কক লৈ ভাৰতে সদায় গৌৰৱ অনুভৱ কৰে। শ্ৰীমোদীয়ে কয়, যে ত্ৰিনিদাদ আৰু ট'বেগ'ৰ সৈতে সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে ইয়াৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে শ্ৰীবিচেচৰৰ সৈতে কাম কৰি যাবলৈ তেওঁ সদায় আগ্ৰহী।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কানাডাৰ নৱ-নিৰ্বাচিত প্ৰধানমন্ত্ৰী  মাৰ্ক কাৰ্নেই আৰু তেওঁৰ দল লিবাৰেচন পাৰ্টীক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয়, যে ভাৰত আৰু কানাডাৰ মাজত গণতান্ত্ৰিক প্ৰমূল্যবোধ আৰু আইনৰ নিয়ম সন্দৰ্ভত স্থিৰ প্ৰতিশ্ৰুতিৱদ্ধতাৰ সম্পৰ্কৰ লগতে দেশ দুখনৰ জনসাধাৰণৰ মাজতো বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। শ্ৰীমোদীয়ে কয়, যে  কানাডাৰ সৈতে থকা সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে দুয়োখন দেশৰ জনসাধাৰণৰ বাবে ন ন সুযোগৰ অন্বেষণৰ উদ্দেশ্যে তেওঁ শ্ৰীকাৰ্নেৰ সৈতে কাম কৰি যাবলৈ সদায়ে আগ্ৰহী।

০০০০০

অক্ষয় তৃতীয়া উপলক্ষে উত্তৰাখণ্ডত কাইলৈ পবিত্ৰ চাৰিধাম যাত্ৰা আৰম্ভ হ'ব। উত্তৰ কাশী জিলাত অৱস্থিত গংগোত্ৰী আৰু য়মুনোত্ৰী মন্দিৰৰ দ্বাৰ মুকলি কৰাৰ লগে লগে এই যাত্ৰা আৰম্ভ হ'ব। ৰুদ্ৰ প্ৰয়াগ জিলাত অৱস্থিত কেডাৰনাথ মন্দিৰৰ দ্বাৰ ২ মে'ত আৰু চাম'লী জিলাৰ বদ্ৰীনাথ ধামৰ দ্বাৰ ৪ মে'ত খোলা হ'ব। আকাশবাণীয়ে চাৰিধাম যাত্ৰাৰ উদ্বোধনী অনুষ্ঠানৰ বিৱৰণী পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

কাইলৈ দিনৰ ১০ বজাৰ পৰা ১১ বজালৈ গংগোত্ৰী ধাম আৰু দিনৰ চাৰে ১১ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ যমুনাত্ৰী ধামৰ দ্বাৰ মুকলি কাৰ্যসূচীৰ বিৱৰণী পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ২ মে'ত পুৱা ৬ বজাত কেদাৰনাথ ধাম আৰু ৪ মে'ত পুৱা চাৰে ৬ বজাৰ পৰা চাৰে ৭ বজালৈ বদ্ৰীনাথ ধাম মুকলি কাৰ্যসূচীৰ বিৱৰণী পোনপটীয়া প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আকাশবাণীৰ ইন্দ্ৰপ্ৰস্থ, এফ এম গোল্ড আৰু আৰাধনা চেনেলৰ উপৰি নিউজ অন এয়াৰ এপ যোগেও এই কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰ শুনিব পাৰিব। কাইলৈৰ পৰা ৪ মে' পৰ্যন্ত প্ৰতিদিনে সন্ধিয়া চাৰে ৭ বজাৰ পৰা ৭ বাজি ৪৫ মিনিটলৈ এই যাত্ৰা সন্দৰ্ভত বিশেষ প্ৰতিবেদন প্ৰচাৰ কৰা হ'ব।

০০০০০

২০২৫ বৰ্ষৰ পদ্ম সন্মান প্ৰাপকসকলে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁলোকে লগতে প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয় আৰু ৰাষ্ট্ৰপতি ভৱনো পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত চাৰিগৰাকী লোকক পদ্ম বিভূষণ, ১০ গৰাকীক পদ্মভূষণ আৰু ৫৭ গৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল।

০০০০০

কংগ্ৰেছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক লক্ষ্য কৰি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এখন ছবিক লৈ বি জে পিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত এই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত এনেধৰণৰ পোষ্ট কৰি কংগ্ৰেছে দেশক দুৰ্বল কৰি তোলাৰ চেষ্টা চলাইছে বুলি বি জে পিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই অভিযোগ তোলে। দলটো ইছলামাবাদৰ সৈতে থকা বুলি কংগ্ৰেছে বাৰ্তা দিয়া বুলিও তেওঁ অভিযোগ তোলে। মুখপাত্ৰগৰাকীয়ে এই সন্দৰ্ভত পেহেলগাম সন্ত্ৰাসবাদী ঘটনাক লৈ বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লোৱা একাংশ কংগ্ৰেছ নেতাৰ বিবৃতিৰ বিষয়ে উল্লেখ কৰে। শ্ৰীভাটিয়াই কয়, যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰৰ ষড়যন্ত্ৰকাৰীসকলক যোগ্য প্ৰত্যুত্তৰ দিয়া হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে স্পষ্ট কৰি দিছে। আজি দিনৰ আৰম্ভণিতে কংগ্ৰেছে দলটোৰ ছ'ছিয়েল মিডিয়া হেণ্ডেলৰ জৰিয়তে প্ৰধানমন্ত্ৰীক সমালোচনা কৰি এখন ছবি প্ৰকাশ কৰিছিল।

০০০০০

গাৰো আৰু খাচী ভাষাক ভাষিনী মঞ্চত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে মেঘালয় চৰকাৰে কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰালয়ৰ ডিজিটেল ইণ্ডিয়া ভাষিনী বিভাগৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ভাষিনী মঞ্চ হৈছে এনে এখন মঞ্চ, যাৰ উদ্দেশ্য হৈছে দেশৰ ভিন্ন প্ৰান্তৰ ভাষাৰ ক্ষেত্ৰত থকা বাধাসমূহ আঁতৰ কৰোৱা। এই উপলক্ষে মেঘালয়ৰ ৰাজ্যিক অভিৰৰ্তন কেন্দ্ৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰাৰ লগতে ৰাজ্যখনৰ কলা-সংস্কৃতি মন্ত্ৰী প'ল লিংডো উপস্থিত থাকে। খাচী সাহিত্য সমাজ আৰু আচিক সাহিত্য সমাজৰ সদস্যসকলো অনুষ্ঠানত উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কয়, যে এই ব্যৱস্থাৰ জৰিয়তে চৰকাৰী বিভাগ আৰু জনসাধাৰণৰ মাজত যোগাযোগ উন্নত কৰাৰ লগতে নিয়োগ সৃষ্টি তথা ডিজিটেল উদ্যমিতাৰ ন ন সুযোগ মুকলি হ'ব।

০০০০০

কন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে সেউজ হাইড্ৰ'জেনক ভৱিষ্যতৰ ইন্ধন বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাবে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন অভিযানৰ সুযোগ সম্পৰ্কীয় এখন কৰ্মশালা উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে সেউজ হাইড্ৰ'জেনৰ উৎপাদনৰ বাবে প্ৰযুক্তি বিকশাই তোলাৰ বাবে সহযোগিতাৰে কাম কৰিবলৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ প্ৰতি আহ্বান জনায়। শ্ৰীযোশীয়ে কয়, যে খণ্ডটোৰ দেশক নৱীকৰণ শক্তিৰ দিশে আগবঢ়াই নিয়াৰ বাবে নতুন প্ৰযুক্তিগত অৱধাৰণা আৰু সেউজ হাইড্ৰ'জেনৰ উৎপাদনৰ বাবে সহযোগিতা আগবঢ়োৱাৰ অপাৰ শক্তি আছে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ভাৰতীয় সেউজ হাইড্ৰ'জেন প্ৰমাণীকৰণ আঁচনি মুকলি কৰে। শ্ৰীযোশীয়ে কয়, যে ভাৰতে ৪ লাখ ১২ হাজাৰ টন সেউজ হাইড্ৰ'জেন লব্ধ পদাৰ্থৰ বাবে জাপানৰ সৈতে এখন চুক্তিত স্বাক্ষৰ কৰিছে। মন্ত্ৰালয়ে ২০৩০ চনৰ ভিতৰত এই পৰিমাণ ৫ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

একবিংশ শতিকাৰ প্ৰয়োজন পূৰাব পৰাকৈ চৰকাৰে দেশৰ শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত প্ৰথম যুগ্ম সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে দেশৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাকৈ বিশ্বমানৰ শিক্ষাৰ ব্যৱস্থা গঢ়ি তুলিছে। দেশৰ ভৱিষ্যত যুৱচামৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে দেশৰ উজ্জ্বল ভৱিষ্যতৰ বাবে যুৱক-যুৱতীসকলক প্ৰস্তুত কৰাটো অতি গুৰুত্বপূৰ্ণ। তেওঁ লগতে নতুন শিক্ষানীতিয়ে দেশৰ শিক্ষা ব্যৱস্থালৈ আমূল পৰিৱৰ্তন আনিছে বুলি উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে প্ৰতিভা, প্ৰকৃতি আৰু প্ৰযুক্তিৰ সংমিশ্ৰণে ভাৰতৰ ভৱিষ্যত পৰিৱৰ্তন কৰিব।

অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ডঃ জিতেন্দ্ৰ সিং উপস্থিত থাকে।

০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি কলম্বোত অনুষ্ঠিত ত্ৰিদেশীয় এদিনীয়া ক্ৰিকেট শৃংখলাৰ এখন খেলত দক্ষিণ আফ্ৰিকাক ১৫ ৰাণত পৰাস্ত কৰি একেৰাহে দ্বিতীয়খন খেলত জয়লাভ কৰিছে। খেলখনত ভাৰতে প্ৰথমে

বেট ধৰি ছটা উইকেটৰ বিনিময়ত ২৭৬ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ প্ৰতীকা ৰাৱলে সৰ্বাধিক ৭৮ ৰাণ কৰে। অধিনায়ক হৰমনপ্ৰীত কৌৰে ৪১ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ৪৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬১ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত নতুন দিল্লীত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ ক'লকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা ১৪ বছৰ বয়সীয়া বৈভৱ সূৰ্যবংশীৰ ঐতিহাসিক শতকৰ সহায়ত এখন খেলত গুজৰাট টাইটানছক ৮ উইকেটত পৰাস্ত কৰে। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰাজস্থানে ২৫ টা বল বাকী থাকোঁতেই ২১০ ৰাণৰ বিজয় লক্ষ্য অতিক্ৰম কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে গুজৰাটে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৯ ৰাণ সংগ্ৰহ কৰে।

ooooo

সমাপ্ত